# কৰ্মস্থানত মহিলাৰ সুৰক্ষা আৰু মৰ্যাদা

## কৰ্মস্থানত মহিলাৰ ওপৰত যৌন উৎপীড়ন
## আৰু
## আইনী প্ৰতিবিধান সম্পৰ্কীয় দৰকাৰী তথ্য

ঘৰ অথবা ৰাজহুৱা ঠাই সকলোতে মহিলাৰ বিৰুদ্ধে যৌন উৎপীড়ণ সংঘটিত হ'ব পাৰে। কৰ্মস্থানত ঘটা এনেকুৱা ঘটনাক **'কৰ্মস্থানত মহিলাৰ ওপৰত যৌন উৎপীড়ন'** বোলা হয়। এয়া মহিলাৰ ওপৰত হোৱা লিংগ-ভিত্তিক নিৰ্যাতন। এখন কৰ্মস্থানত এনে নিৰ্যাতনে মহিলা এগৰাকীৰ মৌলিক আৰু আইনী আধিকাৰ উলংঘা কৰে। মহিলাৰ ওপৰত পিতৃতান্ত্ৰিক নিয়ন্ত্ৰণ শক্তিশালী কৰিবলৈ কৰ্মস্থানত যৌন উৎপীড়নক এক আহিলা হিচাপে ব্যৱহাৰ কৰা হয়। ই কৰ্মস্থানত বৈষম্য বৃদ্ধি কৰে। এয়া এক লিংগ-ভিত্তিক ক্ষমতাৰ কাঠামোৰ ভিতৰত সংঘটিত হয়।

কৰ্মস্থানত হোৱা যৌন উৎপীড়ন হৈছে লিংগ-ভিত্তিক যিকোনো অভ্যাস, আচৰণ বা ব্যৱহাৰ যিবোৰে মহিলা এগৰাকীৰ চাকৰিলৈ বিপদ নমাই আনে, তেওঁৰ কৰ্মদক্ষতাৰ ওপৰত বিৰূপ প্ৰভাৱ পেলায় আৰু তেওঁৰ আত্মসন্মান, মৰ্যাদা আৰু স্বাধীনতা খৰ্ব কৰে। এনে ঘটনাই কৰ্ম দক্ষতাৰ লগতে পেচাগত আৰু ব্যক্তিগত বিকাশৰ ক্ষেত্ৰত মহিলাৰ আৰু প্ৰতিষ্ঠানসমূহৰ যথেষ্ট ক্ষতি কৰে। এনে উৎপীড়নৰ বাবে মহিলাসকলে কাম এৰি দিয়ে। ফলত ৰাষ্ট্ৰীয় অৰ্থনীতিৰ ওপৰতো এক বিৰূপ প্ৰভাৱ পৰে।

কৰ্মস্থানত হোৱা যৌন উৎপীড়ন শাৰীৰিক, মানসিক আৰু বহু ধৰণৰ হ'ব পাৰে। যৌনগন্ধী মৌখিক আৰু অমৌখিক আচৰণো ইয়াৰ ভিতৰত পৰে। ই ধৰ্ষণৰ প্ৰচেষ্টা বা ধৰ্ষণৰ দৰে চৰম উৎপীড়নো হ'ব পাৰে।

২০১৩ চনত **কৰ্মস্থানত মহিলাৰ ওপৰত যৌন উৎপীড়ন (প্ৰতিৰোধ, নিষিদ্ধকৰণ আৰু প্ৰতিকাৰ)** আইনখন (চমুকৈ SH আইন) ভাৰত চৰকাৰে বলবৎ কৰিছিল। এই দেৱানী আইনখনৰ মুখ্য উদ্দেশ্য আছিল –

- যৌন উৎপীড়নৰ ঘটনা ঘটাটো বন্ধ কৰা (প্ৰতিৰোধ)
- কৰ্মস্থানত যৌন উৎপীড়ন নিষিদ্ধ কৰা (নিষিদ্ধকৰণ)
- যৌন উৎপীড়নৰ ঘটনাসমূহত অধিকাৰ নিৰ্ধাৰণ আৰু প্ৰতিকাৰ প্ৰদান কৰা (প্ৰতিকাৰ)

## সঘনাই উদয় হোৱা প্ৰশ্নসমূহ

**ভাৰতীয় আইন মতে কৰ্মস্থানত মহিলাৰ ওপৰত যৌন নিৰ্যাতন মানে কি ?**

ভাৰতীয় দণ্ডবিধি আইনৰ (আই পি চি) বিভিন্ন ধাৰাৰ অধীনত দণ্ডনীয় যৌন নিৰ্যাতনসমূহ হৈছে মহিলাৰ মৰ্যাদা হানিৰ উদ্দেশ্যে প্ৰয়োগ কৰা অশ্লীল আচৰণ, গান, মাত-কথা, ইঙ্গিত, আৰু শব্দ। SH আইনখনে স্পষ্ট কৰি দিয়া অবাঞ্ছিত যৌনমূলক আচৰণসমূহ হৈছে –

- শাৰীৰিক সান্নিধ্য আৰু সম্পৰ্কৰ বাবে প্ৰস্তাৱ
- যৌন সুবিধাৰ দাবী অথবা অনুৰোধ কৰা
- যৌনগন্ধী মন্তব্য কৰা
- পৰ্ণোগ্ৰাফি দেখুওৱা
- যিকোনো অন্য অবাঞ্ছিত শাৰীৰিক, মৌখিক নাইবা অমৌখিক আচৰণ
- চাকৰিৰ ক্ষেত্ৰত ভাবুকি
- অপমানজনক নাইবা প্ৰতিকূল কামৰ পৰিৱেশ
- স্বাস্থ্য/সুৰক্ষা হানি কৰা অপমানজনক আচৰণ

এই আইন অনুসৰি যৌন উৎপীড়নসমূহ দুই ধৰণৰ পৰিস্থিতিৰ ভিতৰত পৰিব পাৰে ঃ

- *Quid pro quo* **নিৰ্যাতন (কিবা এটাৰ বিনিময়ত কিবা এটা) ঃ** ক্ষমতাৰ অপপ্ৰয়োগ কৰি কৰা উৎপীড়ন, যিবোৰে নিযুক্তি, চাকৰিৰ পদোন্নতি, দৰমহা বৃদ্ধি, বদলি, ছাত্ৰীৰ ক্ষেত্ৰত নম্বৰ বৃদ্ধি আদিৰ ওপৰত দেখদেখ প্ৰভাৱ পেলায়। এনেকুৱা ধৰণৰ ঘটনাত এগৰাকী নিৰীক্ষক বা উৰ্ধতন ক্ষমতাশালী লোকে যৌন সম্পৰ্ক লাভ কৰাৰ বিনিময়ত চাকৰি, পদোন্নতি বা অন্যান্য সুবিধা দিয়ে। মহিলাগৰাকীয়ে সেই প্ৰস্তাৱ প্ৰত্যাখ্যান কৰিলে ভাবুকিৰ সন্মুখীন হয় নাইবা প্ৰাপ্য সুবিধাৰ পৰা বঞ্চিত হয়।
- প্ৰতিকূল কৰ্ম পৰিৱেশ ঃ এই উৎপীড়নে কামৰ ক্ষেত্ৰত স্পষ্ট প্ৰভাৱ নেপেলায়, কিন্তু এনে পৰিৱেশত এগৰাকী মহিলাই অসুৰক্ষিত,